## পাঠ :৭

# সময় - নীলমণি ফুকন ( ককা )

---

১. চমু প্ৰশ্নৰ উত্তৰ:  মুঠ মূল্যাংক:-১০

(ক) সময় কি গতিত ঘূৰে?

উত্তৰ: সময় বৃত্ত আকাৰ গতিত ঘূৰে।

(খ) 'সাৰথি' পুথিখন কাৰ ৰচনা?

উত্তৰ: 'সাৰথি' পুথিখন হত্যানাথ বৰাদেৱৰ ৰচনা।

(গ) কিহৰ ওপৰত ভিক্তি কৰি সময় ভাগ কৰা হয়?

উত্তৰ: কাৰ্য্যক্ৰমৰ  ওপৰত ভিক্তি কৰি সময় ভাগ কৰা হয়।

(ঘ) সময়ৰ দণ্ড, পল, অনুপলক কি বোলা হয়?

উত্তৰ: সময়ৰ দণ্ড, পল, অনুপলক ভগ্নাংশ বোলা হয়।

(ঙ) সময়ৰ ডাঙৰ ভাগবোৰ কি?

উত্তৰ: সময়ৰ ডাঙৰ ভাগবোৰ হল-যুগ,কল্প,শতাব্দী।

২/ চাৰিটা পাঁচটা বাক্যত উত্তৰ দিয়া:- মূল্যাংক:-২/৩

(ক) প্ৰাকৃতিক জগত বুলিলে কি বুজা?

উত্তৰ: প্ৰাকৃতিক জগত বুলিলে আমাৰ চাৰিওফালে আগুৰি থকা প্ৰাকৃতিক আৱস্থাটোক বুজায়। যেনে:- নদ-নদী, আকাশ- বতাহ,গছ-গছনি, জীৱ-জন্তু, জলবায়ু আদি প্ৰাকৃতিক জগতৰ উপাদান। প্ৰাকৃতি জগতত বেলিয়ে পোহৰ দিয়ে, ৰাতি জোন-তৰাই আকাশ

উজ্বলাই, ঋতু পৰিৱৰ্তন হয়,গছ-বন শুৱনি হয়,জীৱ-জন্তুৱে বিচৰণ কৰে । মানুহ আৰু প্ৰকৃতিৰ মাজতো গভীৰ সম্বন্ধ থাকে আৰু ভৱিষ্যততো থাকিব ।

(খ) কোনো ঘটনাৰ ওপৰত ভিক্তি কৰি কিদৰে সময় ভাগ কৰিব পাৰি?

উত্তৰ: কোনো একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য- কলাপৰ ওপৰতো ভিক্তি কৰি সময়ক ভাগ কৰা হয় ।যেনে:- ধৰ্ম,কলা,বুৰঞ্জী,কিম্বদন্তি, যুদ্ধ বিগ্ৰহ,ৰাজত্ব আদি বিষয়বিলাকে সময়ৰ একো একোটা ঢাপ তুলি সীমাবদ্ধ কৰি থৈ যায় ।সৎবৎ,শতাদ্ধ,খ্ৰীষ্টাব্দ,হিজৰী, সংক্ৰৱদ্ধ, চৈত্যন্নাব্দ ইত্যাদি সময় বিভাগৰ গুৰিতে এনে একোটা স্মৰণীয় ঘটনা আছে ।
(ঘ) লক্ষণাক্ৰান্ত মানে কি?
উত্তৰ:  লক্ষণাক্ৰান্ত মানে হল লক্ষণযুক্ত । সময়ৰ ভাগবিলাকৰ কিছুমান বিশেষ লক্ষণ আছে ।সেই লক্ষণসমুহেৰে একোটা সময়ৰ বিভাগ কল্পনা কৰা হয় । সেই কাৰণেই হিন্দুসাশ্ৰমতে চাৰি যুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি যোৱা আছে । খ্ৰীষ্টানৰ মিলেনিয়াম, ইছলামৰ শেষ ইমান মেহদিৰ আগমন আদি কিছুমান সময়ৰ ভাগৰ লক্ষণ ।

(ঙ) বিজ্ঞানৰ আৱিষ্কাৰৰ আগতে মানুহে কিহৰ ওপৰত ভিত্তি কৰি সময় সম্পৰ্কে অৱগত হৈছিল?

উত্তৰ:  বিজ্ঞানৰ আৱিষ্কাৰৰ আগতে মানুহে প্ৰাকৃতিক জগতৰ পৰিৱৰ্তনবোৰ চাই সময় সম্পৰ্কে অৱগত হৈছিল । গ্ৰহ নক্ষেত্ৰৰ গতিৰ লগত সম্বন্ধ ৰাখি সময় সম্পৰ্কে স্থিৰ কৰি লৈ । চন্দ্ৰ-সূৰ্যৰ গতি চাই দিন,মাহ গণনা কৰিবলৈ ধৰে ।

৩/ দীঘল প্ৰশ্নৰ উত্তৰ: মূল্যাংক:-৪/৫

(ক) "মানুহৰ এক কল্পই ব্ৰহ্মাৰ এদিন আৰু এৰাতি ।"- কথাষাৰ অৰ্থ বুজাই লিখা ।

উত্তৰ: ইয়াত কৰ্মী মানুহৰ কথা কোৱা হৈছে ।কৰ্মী মানুহে কৰ্ম ব্যস্ততাত থাকোতে গমকে নেপাই সময়বোৰ কেতিয়া পাৰ হৈ যায় । কিন্তু এলেহুৱাৰ সময় নাযায় - নুপুৱাই । এটা দিন এবছৰ যেন অনুভৱ কৰে । কিন্তু মহান কৰ্মী, ব্ৰহ্মাৰ কাৰণে ই একো দীঘলীয়া সময় নহয়। মানুহৰ কাৰণে যি এটি যোগ, ব্ৰহ্মাৰ কাৰণে এটি কল্পহে মাত্ৰ । অৰ্থাৎ কৰ্মৰ মাজেদিহে সময়ৰ গতি নিৰূপন কৰিব পাৰি,সময়ৰ দ্বাৰা নহয় ।

(খ) অন্তৰ্নিহিত ভাৱ বিশ্লেষণ কৰা:
সময়ৰ এই ভাগবিলাক বিশেষ বিশেষ লক্ষনাক্ৰান্ত ।

উত্তৰ:  সময়ৰ ভাগ বিলাকৰ কিছুমান বিশেষ বিশেষ লক্ষণ থাকে । সেই লক্ষণবিলাকৰে একোটা সময়ৰ ভাগ কৰা হয় । হিন্দুসাশ্ৰমতে চাৰিযুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি থোৱা আছে । কলি যুগত কল্কি অৱতাৰৰ পিছত সত্য যুগৰ প্ৰৱৰ্তন, খ্ৰীষ্টান- সকলৰ মতে মিলেনিয়াম বা হাজাৰ বছৰ যীশুৰ ৰাজত্ব, ইছলামৰ মতে শেষ ইমান মেহদিৰ আগমন

ইত্যাদি ঘটনাৱলীয়েই একে একো যুগৰ লক্ষণ। এই যুগবিলাকৰ পৰিৱৰ্তনেই কল্পন্তৰ,চাইক্লিক আদি বিভিন্ন নামেৰে প্ৰখ্যাত।

(গ) সময় অমূল্য ধন বোলা কথাষাৰ সঁচা।

উত্তৰ: নীলমণি ফুকনদেৱে সময়ৰ গুৰুত্ব বৰ্ণনা কৰিবলৈ গৈ তেখেতৰ "সময়" নামৰ -প্ৰবন্ধটিত আলোচ্য কথাষাৰ সন্নিবিষ্ট কৰিছে।

সময় অমূল্য ধন। একোজন ধনকুৱেৰে এক মিনিটত হাজাৰ হাজাৰ টকা উপাৰ্জন কৰে। এজন মানুহে হয়তো গোটেই জীৱনত একেলগে হাজাৰ টকা চকুৰে নেদেখে। ঘোঁৰা চেকুৰত এক মূহুৰ্তৰ আগতে অহা ঘোঁৰাৰ গিৰিহঁতে লক্ষ লক্ষ টকা পোৱাৰ দৃষ্টান্ত আছে। ঘন্টাত কুৰি মাইল যোৱা লৰী মটৰ এখনৰ উপাৰ্জন ঘন্টাত দুমাইল যোৱা গৰু গাড়ীখনতকৈ বেছি। পৰীক্ষাৰ প্ৰশ্নকাকত পিটিকি থাকি সময় নষ্ট কৰা পৰীক্ষাৰ্থীতকৈ তলৰ মোৰ ওপৰ কৰিবলৈ সময় নোহোৱা পৰীক্ষাৰ্থীয়ে নম্বৰ বেছি পায়। গীতিকে দেখা যায় সময় অমূল্য ধন বোলা কথাষাৰ সঁচা।